

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

নৱম শ্ৰেণীৰ পাঠ্যপুথি

ইতিহাস

পাঠ - ১

ভাৰতবৰ্ষলৈ ইউৰোপীয়সকলৰ আগমন

অংশ – ৪

অনামিকা দাস

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

অনুশীলনী

অতি চমু / চমু উত্তৰৰ প্ৰশ্ন —


১। ভাৰত আৰু পাশ্চাত্যৰ মাজত সাগৰীয় পথ আৱিষ্কাৰ কৰা প্ৰথম পৰ্তুগীজ নাৱিকজন কোন? তেওঁ কেতিয়া আৰু ভাৰতৰ ক'ত পোন প্ৰথমে উপস্থিত হৈছিল?

উত্তৰঃ- ভাৰত আৰু পাশ্চাত্যৰ মাজত সাগৰীয় পথ আৱিষ্কাৰ কৰা প্ৰথম পর্তুগীজ নাৱিকজন হ'ল ভাস্ক'-ডা-গামা। তেওঁ ১৪৯৮ খ্ৰীষ্টাব্দত ভাৰতৰ কালিকট বন্দৰত উপস্থিত হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। জলপথেৰে পৃথিৱী প্ৰদক্ষিণ কৰিবলৈ সমৰ্থ হোৱা ইংৰাজ নাৱিকজন কোন আছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। জলপথেৰে পৃথিৱী প্ৰদক্ষিণ কৰিবলৈ সমৰ্থ হোৱা ইংৰাজ নাৱিকজন কোন আছিল?

উত্তৰঃ- জলপথেৰে পৃথিৱী প্ৰদক্ষিণ কৰিবলৈ সমৰ্থ হোৱা ইংৰাজ নাৱিকজনৰ নাম হ'ল ফ্ৰান্সিছ ড্ৰেক।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। ভাৰত ভূমিত পোন প্ৰথমে কোন ইংৰাজ নাৰিকে অনুমতিপত্ৰ লৈ কেতিয়া প্ৰৱেশ কৰিছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। ভাৰত ভূমিত পোন প্ৰথমে কোন ইংৰাজ নাৰিকে অনুমতিপত্ৰ লৈ কেতিয়া প্ৰৱেশ কৰিছিল?

উত্তৰঃ- ভাৰত ভূমিত পোন প্ৰথমে জন মিলডেন হল নামৰ ইংৰাজ নাৰিক জনে অনুমতিপত্ৰ লৈ ১৫৯৯ খ্ৰীষ্টাব্দত প্ৰৱেশ কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৪। ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানি কেতিয়া ক'ত গঠন হৈছিল?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৪। ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানি কেতিয়া ক'ত গঠন হৈছিল?

উত্তৰঃ- ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানি ১৬০০ খ্ৰীষ্টাব্দত লণ্ডনত গঠন কৰিছিল।

৫। ইষ্ট ইণ্ডিয়া কোম্পানিৰ ভাৰতত থিতাপি লোৱাৰ দুটা উদ্দেশ্য লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। **ইষ্ট ইণ্ডিয়া কোম্পানিৰ ভাৰতত থিতাপি লোৱাৰ দুটা উদ্দেশ্য লিখা।**

উত্তৰঃ- ইষ্ট ইণ্ডিয়া কোম্পানিৰ ভাৰতত থিতাপি লোৱাৰ দুটা উদ্দেশ্য আছিলঃ-

ক) বেহা-বেপাৰ কৰা।

খ) ইংৰাজ শাসন প্রতিষ্ঠা কৰা।


৬। ইংৰাজৰ প্ৰথম বাণিজ্য কেন্দ্ৰটো ভাৰতৰ ক'ত কেতিয়া স্থাপিত হৈছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৬। ইংৰাজৰ প্ৰথম বাণিজ্য কেন্দ্ৰটো ভাৰতৰ ক'ত কেতিয়া স্থাপিত হৈছিল?



উত্তৰঃ- ইংৰাজৰ প্ৰথম বাণিজ্য কেন্দ্ৰটো ভাৰতৰ মছলিপট্টনমত ১৬১১ খ্ৰীষ্টাব্দত স্থাপন কৰা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation


৭। 'ফর্ট উইলিয়াম' কি?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৭। 'ফৰ্ট উইলিয়াম' কি?



উত্তৰঃ- ইংলেণ্ডৰ ৰজা তৃতীয় উইলিয়ামৰ সন্মানার্থে কলিকতা বাণিজ্য কেন্দ্রটোৰ নাম 'ফৰ্ট উইলিয়াম' ৰখা হৈছিল।

৮। পৰাধীন ভাৰতৰ ব্ৰিটিছ শাসনৰ সময়ছোৱাক কোন দুটা মূল ভাগত ভগাব পাৰি সময় উল্লেখ কৰি লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৮। পৰাধীন ভাৰতৰ ব্ৰিটিছ শাসনৰ সময়ছোৱাক কোন দুটা মূল ভাগত ভগাব পাৰি সময় উল্লেখ কৰি লিখা।

উত্তৰঃ- পৰাধীন ভাৰতৰ ব্ৰিটিছ শাসনৰ সময়ছোৱাক দুটা ভাগত ভাগ কৰিব পাৰিঃ

ক) প্ৰথমটো হৈছে মোগল সাম্ৰাজ্যৰ পতনৰ পৰা আৰম্ভ কৰি ১৮৫৭ খ্ৰীষ্টাব্দৰ বিদ্ৰোহলৈকে।

খ) দ্বিতীয়টো হৈছে ১৮৫৮ খ্ৰীষ্টাব্দৰ পৰা ১৯৪৭ খ্ৰীষ্টাব্দত ভাৰতীয়ৰ হাতত ক্ষমতা হস্তান্তৰলৈকে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। 'ভাৰত চৰকাৰ আইন' কোনে কেতিয়া কি উদ্দেশ্যত প্ৰণয়ন কৰিছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। 'ভাৰত চৰকাৰ আইন' কোনে কেতিয়া কি উদ্দেশ্যত প্ৰণয়ন কৰিছিল?

উত্তৰঃ- ব্ৰিটিছ সংসদে ১৮৫৮ খ্ৰীষ্টাব্দৰ ২ আগষ্ট তাৰিখে ''ভাৰত চৰকাৰ আইন' প্ৰণয়ন কৰিছিল। এই আইনে ইংলেণ্ডৰ চৰকাৰক পোনপটীয়াকৈ ভাৰত শাসন কৰাৰ ক্ষমতা দিছিল।

১০। 'ভাৰতীয় পৰিষদ আইন' কেতিয়া আৰু কি উদ্দেশ্যত প্ৰণয়ন কৰা হৈছিল?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১০। 'ভাৰতীয় পৰিষদ আইন' কেতিয়া আৰু কি উদ্দেশ্যত প্ৰণয়ন কৰা হৈছিল?


উত্তৰঃ- ১৮৬১ খ্ৰীষ্টাব্দত ব্ৰিটিছ সংসদে 'ভাৰতীয় পৰিষদ আইন' প্ৰণয়ন কৰিছিল। এই আইনখনৰ উদ্দেশ্য আছিল আধুনিক প্ৰশাসন ব্যৱস্থাটোৰ সৈতে শিক্ষিত ভাৰতীয়ক চিনাকি কৰি দিয়া।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

চমু/দীঘল উত্তৰৰ প্ৰশ্ন —

১। ইংৰাজে ভাৰতৰ লগত বাণিজ্য চুক্তি কৰিবলৈ কৰা প্ৰচেষ্টা কেতিয়া সম্পূৰ্ণ হৈছিল, তাৰ পদক্ষেপসমূহ সংক্ষেপে লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

চমু/দীঘল উত্তৰৰ প্ৰশ্ন —

১। ইংৰাজে ভাৰতৰ লগত বাণিজ্য চুক্তি কৰিবলৈ কৰা প্ৰচেষ্টা কেতিয়া সম্পূৰ্ণ হৈছিল, তাৰ পদক্ষেপসমূহ সংক্ষেপে লিখা।

উত্তৰঃ- ১৬০৮ খ্ৰীষ্টাব্দত ইংলেণ্ডৰ ৰজা প্ৰথম জেমচে ভাৰতৰ সৈতে বেহা-বেপাৰ কৰাৰ উদ্দেশ্যে কেপ্টেইন উইলিয়াম হকিন্স নামৰ এজন ব্ৰিটিছ সদাগৰৰ যোগেদি মোগল সম্ৰাট জাহাংগীৰলৈ এখন আবেদন পত্ৰ প্ৰেৰণ কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

হকিন্সে তাপ্তী নদীৰ মোহনাৰে চুৰাট বন্দৰত উপস্থিত হৈছিল।

কেপ্টেইন হকিন্সে প্ৰায় দুই বছৰকাল মোগল সাম্ৰাজ্যত থাকি সম্ৰাটৰ পৰা বেহা বেপাৰৰ কিছু সা - সুবিধা আদায়ৰ চেষ্টা কৰিছিল। কেপ্টেইন হকিন্সে আগবঢ়োৱা বাণিজ্য চুক্তিৰ আবেদন সম্ৰাট জাহাংগীৰে নাম অগ্ৰাহ্য কৰিছিল। ১৬১৫ খ্ৰীষ্টাব্দত ইংলেণ্ডৰ ৰজা প্ৰথম জেমছে ছাৰ টমাচ ৰ' নামৰ আন এজন ইংৰাজক পুনৰ জাহাংগীৰৰ ওচৰলৈ প্ৰেৰণ কৰিছিল। টমাচ ৰ'ৰে কোনোধৰণৰ বাণিজ্যিক চুক্তি কৰিব পৰা নাছিল যদিও সম্ৰাট জাহাংগীৰে ইংৰাজ সদাগৰসকলক চুৰাটত বাণিজ্যিক কুঠি

স্থাপনৰ অনুমতি প্ৰদান কৰিছিল।

১৭১৫ খ্ৰীষ্টাব্দত জন ছাৰমানৰ নেতৃত্বত ইংৰাজ লোকৰ এটা সঁজাতী দলে মোগল সম্ৰাট ফাৰুখছিয়াৰক সাক্ষাৎ কৰি পুনৰ বাণিজ্যিক চুক্তিৰ প্ৰস্তাৱ আগবঢ়াইছিল। সেই সময়ত সম্ৰাট ফাৰুখছিয়াৰ কঠিন ৰোগত ভুগি আছিল। ৰোগাক্ৰান্ত সম্ৰাট ফাৰুখছিয়াৰক সঁজাতী দলটোৰ চিকিৎসক ডাঃ হেমিলটনে চিকিৎসা আগবঢ়াই তেওঁৰ ব্যাধি নিৰাময় কৰিছিল। সঁজাতী দলটোৰ প্ৰতি সম্ৰাটে সদয়ৰ ভাব দেখুৱাইছিল। এই সুযোগতে সম্ৰাটৰ পৰা ইংৰাজ সদাগৰসকলে তিনিখন ফৰমান আদায় কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ইষ্ট ইণ্ডিয়া কোম্পানিয়ে সমগ্ৰ ভাৰতবৰ্ষত নিৰ্বিঘ্নে বেহা-বেপাৰ কৰাৰ ৰাজকীয় অনুমতি লাভ কৰে। ইয়াৰ লগতে ভাৰতৰ মাটিত কোম্পানিয়ে নিজৰ ভৱিষ্যৎ সুদৃঢ় কৰাৰ ফালে অগ্ৰসৰ হৈছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। **ইষ্ট ইন্ডিয়া কোম্পানীয়ে কেনেকৈ ভাৰতৰ তিনিটা মূল স্থানত বাণিজ্য কেন্দ্ৰ স্থাপন কৰিছিল তাৰ তিনিটা মূল কৌশল সম্পৰ্কে লিখা।**

উত্তৰঃ- ১৬১১ খ্ৰীষ্টাব্দত গোলকুণ্ডা ৰাজ্যৰ চুলতানৰ পৰা অনুমতি লৈ কোম্পানিয়ে মছলিপট্টমত এটা বাণিজ্য কেন্দ্ৰ স্থাপন কৰিছিল। ১৬৩৬ খ্ৰীষ্টাব্দত কোম্পানিয়ে আৰমাগাঁৱত দ্বিতীয়টো বাণিজ্য কেন্দ্ৰ মুকলি কৰিছিল। ১৬৩৯ খ্ৰীষ্টাব্দত চন্দ্ৰগিৰিৰ ৰজাৰ লগত চুক্তি কৰি মাদ্ৰাজৰ কাষৰীয়া ঠাই এটুকুৰালৈ

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

আৰমাগাঁৱৰ বাণিজ্য কেন্দ্ৰটো তুলি নি এই কেন্দ্ৰটোৰ নতুন নাম দিয়া হৈছিল ফৰ্ট ছেন্ট জৰ্জ।

১৬৯০ খ্ৰীষ্টাব্দত জন চাৰ্ণক নামৰ কোম্পানিৰ এজন বিষয়াই বংগৰ নবাবৰ লগত কৰা এখন চুক্তিৰ যোগেদি বছৰি বাৰশ টকাৰ খাজনাৰ বিনিময়ত কালী ঘাট (কলিকতা), সুতানুটি, আৰু গোবিন্দপুৰ নামৰ তিনিখন গাঁৱৰ জমিদাৰী স্বত্ত্ব কোম্পানিয়ে লাভ কৰি ইয়াত এটা বাণিজ্য কেন্দ্ৰ আৰম্ভ কৰিছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

ইষ্ট ইণ্ডিয়া কোম্পানিৰ সাধাৰণ কর্মচাৰী ৰবার্ট ক্লাইৱে ভাৰতত ঔপনিৱেশিক সাম্ৰাজ্য গঢ়ি তোলাৰ কূটনৈতিক কলা - কৌশল অতি কম দিনৰ ভিতৰতে আয়ত্ত কৰিবলৈ সক্ষম হৈছিল। ক্লাইৱে নিজৰ কোম্পানিৰ স্বাৰ্থত আনবোৰ বিদেশী ইউৰোপীয়ান কোম্পানিক ভাৰতৰ পৰা বহিষ্কাৰ কৰাৰ আঁচনি লৈছিল। তেওঁ যুদ্ধ নতুবা মিত্রতাৰ পাশেৰে দেশীয় ৰজাসকলক কোম্পানিৰ ফলীয়া কৰিবলৈ প্রচেষ্টা চলাইছিল। বংগৰ নবাব, হায়দৰাবাদৰ নিজাম, অযোধ্যাৰ নবাব, ৰাজপুতনাৰ ৰজা আদিয়ে কোম্পানিৰ সৈতে মিত্রতা কৰি প্রত্যেকেই নিজৰ নিজৰ কর্তৃত্ব বিসর্জন দিব লগা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। ভাৰতত ব্ৰিটিছ সাম্ৰাজ্যবাদ প্ৰতিষ্ঠাৰ পথ সুগম কৰি তোলা ইষ্ট ইণ্ডিয়া কোম্পানীৰ আটাইতকৈ উল্লেখযোগ্য ব্যক্তিজন কোন? তেওঁ কি কি কৌশলেৰে ব্ৰিটিছ সাম্ৰাজ্যৰ লাইখুঁটা স্থাপন কৰিছিল চাৰিটা যুক্তিৰে লিখা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। ভাৰতত ব্ৰিটিছ সাম্ৰাজ্যবাদ প্ৰতিষ্ঠাৰ পথ সুগম কৰি তোলা ইষ্ট ইণ্ডিয়া কোম্পানীৰ আটাইতকৈ উল্লেখযোগ্য ব্যক্তিজন কোন? তেওঁ কি কি কৌশলেৰে ব্ৰিটিছ সাম্ৰাজ্যৰ লাইখুঁটা স্থাপন কৰিছিল চাৰিটা যুক্তিৰে লিখা।

উত্তৰঃ- ৰবাৰ্ট ক্লাইৱে ১৭৫৭ খ্ৰীষ্টাব্দত পলাচীৰ যুদ্ধত বংগৰ নবাব চিৰাজ উদদৌলাক পৰাস্ত কৰি ভাৰতত ব্ৰিটিছ সাম্ৰাজ্যত লাইখুঁটা স্থাপন কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

তেওঁ কি কি কৌশলেৰে ব্রিটিছ সাম্রাজ্যৰ লাইখুঁটা স্থাপন কৰিছিল তলত চাৰিটা যুক্তিৰ দিয়া হ'লঃ

ক) ৰবার্ট ক্লাইবে নিজৰ কোম্পানিৰ স্বার্থত আনবোৰ বিদেশী ইউৰোপীয়ান কোম্পানিক ভাৰতৰ পৰা বহিষ্কাৰ কৰাৰ আঁচনি লৈছিল।

খ) তেওঁ যুদ্ধ নতুবা মিত্রতাৰ পাশেৰে দেশীয় ৰজাসকলক কোম্পানিৰ ফলীয়া কৰিবলৈ প্রচেষ্টা চলাইছিল।

গ) বংগৰ নবাব, হায়দৰাবাদৰ নিজাম, আৱাধৰ নবাব, ৰাজপুতনাৰ ৰজা আদিয়ে কোম্পানিৰ সৈতে মিত্রতা কৰি প্রত্যেকেই নিজৰ নিজৰ কর্তৃত্ব বির্সজন দিব লগা হৈছিল।

৪। চিপাহী বিদ্রোহ সৃষ্টিৰ কাৰণবোৰ লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৪। চিপাহী বিদ্রোহ সৃষ্টিৰ কাৰণবোৰ লিখা।

উত্তৰঃ- চিপাহী বিদ্রোহ সৃষ্টিৰ চাৰিটা কাৰণ তলত উল্লেখ কৰা হ'লঃ

১) ৰাজকীয় শ্রেণী আৰু জনগণৰ অশান্তিয়ে বিদ্রোহৰ পৰিৱেশ সৃষ্টি কৰিছিল।

২) ১৮৩৫ খ্রীষ্টাব্দত কোম্পানিৰ মুদ্রাৰ পৰা মোগল সম্রাটৰ নামটো আঁতৰাই দিয়া হৈছিল।

৩) একে সময়তে ৰাজকীয় পাৰ্চী ভাষাক উচ্ছেদ কৰি শাসনযন্ত্রত ইংৰাজী ভাষা প্রচলন কৰাৰ প্রতিক্রিয়া হিচাপে ভাৰতীয়ৰ মনত অশান্তি-অসন্তুষ্টিৰ পৰিমাণ বাঢ়ি গৈছিল।

৪) লর্ড ডেলহাউছীৰ প্ৰতিক্ৰিয়াশীল শাসনে সকলো ধৰ্মাৱলম্বী ভাৰতীয়ৰ মনত অশান্তিৰ পৰিমাণ দুগুণ বঢ়াই তুলিছিল।

ওপৰত উল্লেখিত কাৰণবোৰৰ ফলস্বৰূপে বিখ্যাত চিপাহী বিদ্রোহৰ সূচনা হৈছিল।

৫। চিপাহী বিদ্রোহৰ চাৰিটা উল্লেখযোগ্য ফলাফল উল্লেখ কৰা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৫। চিপাহী বিদ্রোহৰ চাৰিটা উল্লেখযোগ্য ফলাফল উল্লেখ কৰা।

উত্তৰঃ- ১) চিপাহী বিদ্রোহৰ ভয়ানক হেন্দোলনিয়ে ইংলেণ্ডবাসীৰ মনত ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানিৰ প্রতি তীব্র বিতৃষ্ণাৰ ভাব সৃষ্টি কৰিছিল। বিদ্রোহৰ মাজেদি প্রকট হৈ উঠা ভাৰতীয়ৰ ক্ষোভ, যন্ত্রণা, বিদেশী শাসকৰ বিৰুদ্ধে ভাৰতীয়ৰ মনত গঢ়ি উঠা গভীৰ আস্থাহীনতাৰ মনোভাব আৰু আক্রমণ-প্রতিআক্রমণৰ ঘটনাই সৃষ্টি কৰা ভয়ানক হত্যাকাণ্ডই ইংলেণ্ডবাসীক চিন্তিত কৰি তুলিছিল।

ভৱিষ্যতৰ এনে ভয়ানক পৰিস্থিতিৰ যাতে পুনৰ উদগীৰণ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি ব্ৰিটিছ চৰকাৰে ভাৰতবৰ্ষৰ শাসন ব্যৱস্থাটোৰ ওপৰত একাণপতীয়াকৈ মনোযোগ দিবলৈ বাধ্য হৈছিল।

২) ব্ৰিটিছ সংসদে ১৮৫৮ খ্ৰীষ্টাব্দত 'ভাৰত চৰকাৰ আইন' প্ৰণয়ন কৰিছিল। এই আইনে ইংলেণ্ডৰ চৰকাৰক পোনপটীয়াকৈ ভাৰত শাসন কৰা ক্ষমতা দিছিল।

৩) সামাজিক পৰিৱৰ্তন স্বৰূপে ভাৰতীয় সমাজত সমান্তযুগীয় স্থবিৰতাৰ আঁতৰি আধুনিক পাশ্চাত্য শিক্ষাৰ প্ৰতি ভাৰতীয় সকল আকৰ্ষিত হৈছিল।

৪) চিপাহী বিদ্রোহৰ পিছত, ব্রিটিছ চৰকাৰৰ প্রত্যক্ষ শাসনে ভাৰতীয়ৰ মনত ক্রমান্বয়ে একতাৰ ভাব জগাই তুলিছিল।



জাতীয়তাবাদ

৬। 'ভাৰত চৰকাৰ আইন'ৰ জৰিয়তে হোৱা চাৰিটা প্ৰশাসনীয় পৰিৱৰ্তন উল্লেখ কৰা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৬। 'ভাৰত চৰকাৰ আইন'ৰ জৰিয়তে হোৱা চাৰিটা প্ৰশাসনীয় পৰিৱৰ্তন উল্লেখ কৰা।

উত্তৰঃ- 'ভাৰত চৰকাৰ আইন'ৰ জৰিয়তে হোৱা চাৰিটা প্ৰশাসনীয় পৰিৱৰ্তন তলত উল্লেখ কৰা হ'ল-

১) ভাৰত শাসনৰ সকলো দায়িত্ব ইংলেণ্ড চৰকাৰৰ হাতত ন্যস্ত কৰাৰ ফলস্বৰূপে কোম্পানিৰ আমোলত ভাৰতৰ সৈতে জড়িত হৈ থকা নিয়ন্ত্ৰণ পৰিষদ আৰু সঞ্চালক সভাৰ কৰ্তৃত্বৰ অৱসান ঘটাইছিল।

২) নতুন আইন অনুসৰি ভাৰত শাসন সম্বন্ধীয় সকলো দায়িত্ব আৰু ক্ষমতা ব্ৰিটিছ মন্ত্ৰীসভাৰ এজন সদস্যৰ হাতত অৰ্পণ কৰা হয়।

ভাৰত শাসনৰ সৈতে প্রত্যক্ষভাৱে জড়িত হোৱা মন্ত্রীজনক 'ভাৰত সচিব' বোলা হয়।

৩) 'ভাৰত চৰকাৰ আইন' অনুসৰি ভাৰতবর্ষৰ সর্বোচ্চ শাসনকর্তা হিচাপে গৱর্ণৰ জেনেৰেল থাকিল যদিও তেওঁক ভাইচৰয় অর্থাৎ ৰাজপ্রতিনিধিৰ খিতাপ প্রদান কৰা হয়।

৪) এই আইনে ভাইচৰয় আৰু প্রাদেশিক মুৰব্বী (গৱর্ণৰ) জনক নিযুক্তি দিয়াৰ ক্ষমতা ইংৰাজ চৰকাৰৰ হাতত ন্যস্ত কৰাৰ লগতে কোম্পানিৰ সামৰিক বাহিনীক ব্রিটিছ চৰকাৰৰ তলতীয়া কৰিছিল।

৭। লর্ড কেনিঙৰ দুটা প্ৰধান সংস্কাৰৰ বিষয়ে লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। লৰ্ড কেনিঙৰ দুটা প্ৰধান সংস্কাৰৰ বিষয়ে লিখা।

উত্তৰঃ- লৰ্ড কেনিঙৰ দুটা প্ৰধান সংস্কাৰৰ বিষয়ে তলত দিয়া হ'ল-

১) লৰ্ড কেনিঙে শিক্ষা ব্যৱস্থাটোৰ উন্নতিৰ বাবে 'উডৰ শিক্ষা সংস্কাৰ আঁচনি' খন ভাৰতত প্ৰৱৰ্তন কৰি প্ৰত্যেক প্ৰদেশতে এজন সচিবৰ তলত শিক্ষা বিভাগ এটা মুকলি কৰিছিল।

২) পৰীক্ষামূলকভাৱে বাৰ্ষিক পাঁচশ টকা বা ততোধিক উপাৰ্জন কৰা লোকৰ ওপৰত আয়কৰ বহুৱাইছিল।

৮। 'ভাৰতীয় পৰিষদ আইন'ৰ দুটা গুণ আৰু দুটা দোষ লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৮। 'ভাৰতীয় পৰিষদ আইন'ৰ দুটা গুণ আৰু দুটা দোষ লিখা।

উত্তৰঃ- ভাৰতীয় পৰিষদ আইনৰ দুটা গুণঃ

১) ভাৰতবৰ্ষৰ আধুনিক প্ৰশাসনৰ ইতিহাসত প্ৰথমবাৰৰ বাবে দেশীয় প্ৰতিনিধিৰ অন্তৰ্ভুক্তিৰ শুভাৰম্ভ ১৮৬১ খ্ৰীষ্টাব্দৰ ভাৰতীয় পৰিষদ আইনৰ যোগেদি হৈছিল।

২) এই আইনে ভাইচৰয়ক তেওঁৰ কেন্দ্ৰীয় বিধানমণ্ডলৰ সদস্যৰ সংখ্যা সৰ্বনিম্ন ছয়জনৰ পৰা সৰ্বাধিক বাৰজন পৰ্যন্ত মনোনীত কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভাৰতীয় পৰিষদ আইনৰ দুটা দোষঃ

১) এই আইনে নৱগঠিত প্ৰাদেশিক বিধান পৰিষদসমূহক নিজাকৈ কিছু আইনী ক্ষমতা দিছিল যদিও প্ৰকৃতপক্ষে এই ক্ষমতা আছিল কেৱল নামমাত্ৰহে।

২) গৱৰ্ণৰ জেনেৰেলৰ হাতত নিজাকৈ অধ্যাদেশ জাৰি কৰিব পৰা ক্ষমতা দিয়া হৈছিল। তেওঁ পৰিষদৰ সৈতে কোনো সম্পৰ্ক নকৰাকৈ যিকোনো ধৰণৰ ক্ষমতা প্ৰয়োগ কৰিব পাৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। ইংৰাজৰ সময়ত স্থানীয় স্বায়ত্ত শাসনৰ জৰিয়তে হোৱা পৰিৱৰ্তনসমূহ আলোচনা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। ইংৰাজৰ সময়ত স্থানীয় স্বায়ত্ত শাসনৰ জৰিয়তে হোৱা পৰিৱৰ্তনসমূহ আলোচনা কৰা।



ভাৰতীয়ৰ মাজত শিক্ষা বিস্তাৰ আৰু ভাৰতীয়ক আধুনিক প্ৰশাসনৰ লগত চিনাকি কৰি দিয়াৰ লগতে সমাজৰ বুদ্ধিমান ব্যক্তিসকলক তেওঁলোকৰ প্ৰাথমিক কাম বিলাক তেওঁলোকৰ হতুৱাই সম্পন্ন কৰাৰ ওপৰত গুৰুত্ব দিছিল।

লৰ্ড ৰিপনে ১৮৮২ খ্ৰীষ্টাব্দত ঐতিহাসিক প্ৰস্তাৱ মৰ্মে প্ৰত্যেকটো মহকুমাত একোখনকৈ লোকেল ব'ৰ্ড গঠন কৰে।

লৰ্ড ৰিপনে স্বায়ত্ত শাসনৰ প্ৰস্তাৱসমূহ সমগ্ৰ ভাৰতবৰ্ষতে কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিছিল। তেওঁৰ এই নিৰ্দেশসমূহ প্ৰদেশসমূহৰ মুখ্য শাসনকৰ্তাসকলে দুই ধৰণেৰে কাৰ্যকৰী কৰিছিল।

কিছুমান প্রদেশত জিলা পর্যায়ত আৰু কিছুমান প্রদেশত মহকুমা পর্যায়ত লোকেল ব'ৰ্ডসমূহ গঠন কৰিছিল। উল্লেখ্য যে অসমত মহকুমা পর্যায়ত লোকেল ব'ৰ্ডসমূহ গঠন হৈছিল।

গ্রামাঞ্চলৰ দৰে নগৰাঞ্চলসমূহো স্থানীয় স্বায়ত্ত শাসনৰ তলতীয়া হৈছিল। ১৮৮২ খ্ৰীষ্টাব্দৰ স্থানীয় স্বায়ত্ত শাসনৰ প্রস্তাৱ মর্মে নগৰীয়া এলেকাসমূহত নগৰপালিকা আৰু পৌৰসভা গঠন হৈছিল। ১৮৮৫ খ্ৰীষ্টাব্দৰ স্বায়ত্ত শাসন আইনখনে জিলা উপায়ুক্তসকলকহে লোকেল ব'ৰ্ডৰ সভাপতিত্ব কৰাৰ ক্ষমতা দিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। অসামৰিক সেৱাত কেনেকৈ ভাৰতীয়সকল অন্তর্ভুক্ত হৈছিল? এই সেৱাৰ বিকাশ সম্পর্কে আলোচনা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। অসামৰিক সেৱাত কেনেকৈ ভাৰতীয়সকল অন্তর্ভুক্ত হৈছিল? এই সেৱাৰ বিকাশ সম্পর্কে আলোচনা কৰা।

উত্তৰঃ- ১৮৩৩ খ্ৰীষ্টাব্দৰ চনতে ভাৰতীয় লোকক শাসনৰ উচ্চ পদবিত মকৰল কৰাৰ ক্ষেত্রত সন্মতি জনাইছিল। আইনখনে ভাৰতীয়ক লোকসেৱাৰ পদবিত নিযুক্তিৰ ক্ষেত্রত অর্হতা নির্ধাৰণৰ ব্যৱস্থা ল'বলৈ নির্দেশ দিছিল। ১৮৩৩ খ্ৰীষ্টাব্দত ডেপুটি মেজিষ্ট্রেট আৰু ১৮৪৩ খ্ৰীষ্টাব্দত ডেপুটি কালেক্টৰ নামৰ দুটা পদবিৰ সৃষ্টি কৰি দুয়োটা পদবিৰ বাবে ভাৰতীয় ব্যক্তি উপযুক্ত হ'ব বুলি জানিবলৈ দিছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১৮৫৩ খ্ৰীষ্টাব্দৰ চনদে লোকসেৱাৰ বাবে প্ৰতিযোগিতামূলক পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে নিৰ্দেশ দিছিল। ভাৰতীয় লোককো এই পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে অনুমতি দিছিল। এই পৰীক্ষা ইংলেণ্ডত অনুষ্ঠিত হোৱা বাবে অতি সামান্যসংখ্যক ভাৰতীয়ইহে ইয়াত অৱতীৰ্ণ হ'ব পাৰিছিল।

১৮৬৫ খ্ৰীষ্টাব্দলৈকে লোকসেৱা পৰীক্ষাত অৱতীৰ্ণ হোৱা পৰীক্ষার্থীৰ সৰ্বোচ্চ বয়সৰ সীমা আছিল ২২ বছৰ। কিন্তু ১৮৬৬ খ্ৰীষ্টাব্দত এই সৰ্বোচ্চ বয়সৰ সীমা ২১ বছৰ কৰা হৈছিল। ইয়াৰ ফলস্বৰূপে অতি কমসংখ্যক ভাৰতীয়ইহে এই পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভাইচৰয় লর্ড লিটনৰ কার্যকালত ভাৰতীয় লোকসেৱাৰ পৰীক্ষার্থীৰ বয়স ২১ বছৰৰ পৰা ১৯ বছৰলৈ হ্রাস কৰিছিল। লোকসেৱা পৰীক্ষার্থীৰ বয়সৰ সীমা সম্বন্ধে ভাৰতীয়ৰ মতামত জনাবলৈ সুৰেন্দ্রনাথ বন্দোপাধ্যায়ে এটা আন্দোলন গঢ়ি তুলিছিল। তেওঁ লালমোহন ঘোষ নামৰ এজন আইনবিদক ইংলেণ্ডলৈ পঠাইছিল ভাৰতীয় জনমত উত্থাপনৰ বাবে। ইংলেণ্ডৰ চৰকাৰে ঘোষৰ যুক্তি মানি লৈ ভাৰতীয় লোকসেৱাত পৰীক্ষার্থীৰ বয়স পুনৰ ২২ বছৰ কৰিবলৈ বাধ্য হৈছিল।

লর্ড লিটনৰ কার্যকালত ব্রিটিছ চৰকাৰে ভাৰতীয় লোকসেৱা সম্বন্ধীয় এখন বিধি তৈয়াৰ কৰিছিল।

এই বিধি অনুসৰি যি এক ষষ্ঠাংশ লোকসেৱাৰ পদবি অংগীকাৰবদ্ধ ইংৰাজ ব্যক্তিৰ কাৰণে সংৰক্ষিত আছিল সেই পদবিসমূহ স্থানীয় চৰকাৰৰ মনোনীত ভাৰতীয় লোকৰ দ্বাৰা পূৰণ কৰাৰ ব্যৱস্থা কৰা হৈছিল।

মণ্টেগু - চেমচফোর্ড প্রতিবেদনে ইংলেণ্ড আৰু ভাৰতত একেলগে লোকসেৱাৰ পৰীক্ষা অনুষ্ঠিত কৰাটো চৰকাৰৰ এটা ঘোষিত নীতি বুলি প্রকাশ কৰিছিল।

মণ্টেগু - চেমচফোর্ড প্রতিবেদন আৰু ১৯১৯ খ্ৰীষ্টাব্দৰ ভাৰত চৰকাৰ আইনৰ নির্দেশনা কার্যকৰী কৰিবলৈ ১৯২৩ খ্ৰীষ্টাব্দত ব্রিটিছ চৰকাৰে লী আয়োগ গঠন কৰিছিল। লী আয়োগে তাৎক্ষণিকভাৱে ভাৰতবর্ষত লোকসেৱা আয়োগ গঠনৰ প্রস্তাৱ আগবঢ়াইছিল আৰু ১৫ টা বছৰৰ ভিতৰত লোকসেৱাৰ পদবিত ভাৰতীয় লোকৰ নিযুক্তিৰ পৰিমাণ ৫০ শতাংশলৈ বৃদ্ধি কৰিবলৈ উপদেশ দিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১১। ব্রিটিছ অধীন ভাৰত আৰু স্বাধীন ভাৰতৰ অসামৰিক লোকসেৱা সম্পর্কে তিনিটা পার্থক্য উল্লেখ কৰা।

উত্তৰঃ- ব্রিটিছ অধীন ভাৰত আৰু স্বাধীন ভাৰতৰ অসামৰিক লোকসেৱা সম্পর্কে তিনিটা পার্থক্য তলত উল্লেখ কৰা হ'ল-

১) ব্রিটিছ অধীন ভাৰতত লোকসেৱা পৰীক্ষাত অৱতীর্ণ হোৱা পৰীক্ষার্থীৰ সর্বোচ্চ বয়সৰ সীমা আছিল ২২ বছৰ। কিন্তু স্বাধীন ভাৰতত পৰীক্ষাত অৱতীর্ণ হোৱা পৰীক্ষার্থীৰ সর্বনিম্ন বয়সৰ সীমা ২১ বছৰ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২) ভাৰত স্বাধীন হোৱাৰ আগত অৰ্হতাৰ ভিত্তিত লোকসেৱাত নিয়োগৰ পদ্ধতি আছিল।

ভাৰত স্বাধীন হোৱাৰ পিছত সৰ্বভাৰতীয় পৰ্যায়ত মুকলি প্ৰতিযোগিতামূলক পৰীক্ষা অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰা হ'ল।

৩) ভাৰত স্বাধীন হোৱাৰ পূৰ্বে ইয়াত কোনো লোকসেৱা আয়োগ গঠন কৰা হোৱা নাছিল আৰু ভাৰতীয় মানুহে ইংলেণ্ডলৈ গৈ লোকসেৱা পৰীক্ষাত অৱতীৰ্ণ হৈছিল।

কিন্তু ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত সৰ্বভাৰতীয় লোকসেৱা আয়োগ আৰু প্ৰাদেশিক পৰ্যায়ত ৰাজ্যিক লোকসেৱা আয়োগ গঠন কৰা হ'ল

ফলস্বৰূপে ভাৰতীয় মানুহে ভাৰতত থাকি লোকসেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিছে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

☛ লণ্ডনত অনুষ্ঠিত হোৱা পৰীক্ষাৰ বাবে ১৯ বছৰীয়া ভাৰতীয়ৰ বাবে যোগ্যতা অৰ্জন কৰাত অসুবিধা হৈছিল।

☛ এই নীতিৰ বিৰুদ্ধে সুৰেন্দ্রনাথ বেনার্জীয়ে সৰ্বভাৰতীয় আন্দোলনৰ আয়োজন কৰিছিল।

